**প্ৰেছ ইনফৰমেশ্যন ব্যুৰো**
**ভাৰত চৰকাৰ**
**নতুন দিল্লীঃ ১৬ মাৰ্চ, ২০১৭**

**<u>প্ৰেছ বিজ্ঞপ্তি</u>**

## ইলেক্ট্ৰনিক ভোটিং মেচিন (ই ভি এম)ৰ নিৰ্ভৰযোগ্যতা

গোৱা, মণিপুৰ, পঞ্জাৱ, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডৰ লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত কিছুমান ৰাজনৈতিক দলে নিৰ্বাচনী আয়োগৰ ই ভি এম মেচিনৰ ওপৰত প্ৰশ্নবোধক চিহ্ন লগোৱা দেখিবলৈ পোৱা গৈছে। বহুজন সমাজ পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকৰ পৰা ১১.০৩.২০১৭ তাৰিখে কোনো নিৰ্দিষ্ট আভিযোগ নথকা তেনে এখন প্ৰতিনিধিত্বমূলক পত্ৰ নিৰ্বাচনী আয়োগে লাভ কৰিছিল আৰু ১১.০৩.২০১৭ তাৰিখেই লগে লগে নিৰ্বাচনী আয়োগে তাৰ প্ৰত্যুত্তৰ দিছে আৰু ই www.eci.nic.in ৱেবছাইটত উপলব্ধ আছে।

নিৰ্বাচনী আয়োগৰ ই ভি এম মেচিনৰ ওপৰত এনেধৰণৰ প্ৰশ্নবোধক চিহ্ন আগতেও বহুবাৰ লগোৱা হৈছে আনকি ই উচ্চ ন্যায়ালয়/ উচ্চতম ন্যায়ালয় পৰ্যায়ও পাইছেগৈ।এনে অভিযোগ ভিত্তিহীন বুলি খৰিজ কৰা হৈছে। নিৰ্বাচনী আয়োগে বাৰে বাৰে স্পষ্ট কৰি আহিছে যে, ই ভি এম মেচিনত সালসলনি কৰিব পৰা সুবিধা নাথাকে আৰু ইয়াৰ সম্পূৰ্ণ প্ৰযুক্তি তথা সকলো নিৰ্বাচনী প্ৰক্ৰিয়া সুৰক্ষিত ভাৱে গোপনীয় স্থানত ৰখা হয়।

প্ৰয়োজন সাপেক্ষে ইয়াৰ তথ্য পুনৰীক্ষণ কৰাৰো সুবিধা আছে।

ই ভি এম ৰ বিষয়ে সবিশেষঃ

বেলত বাকচৰ অসুবিধা আঁতৰাই নতুন তথ্য প্ৰযুক্তিৰ সুযোগ গ্ৰহণ কৰি ৰাইজৰ বহুমূলীয়া ভোট যাতে নষ্ট নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী আয়োগে ১৯৭৭ চনৰ ডিচেম্বৰ মাহতে ই ভি এম ৰ প্ৰস্তাৱ ডাঙি ধৰিছিল। সংসদে ১৯৫১ চনৰ ৰাজহুৱা আইনৰ ধাৰাত ১৯৮৮ চনৰ ডিচেম্বৰ মাহত ৬১ক ধাৰা যোগ কৰি ই ভি এম ৰ ব্যৱহাৰৰ অনুমতি প্ৰদান কৰি নিৰ্বাচনী আয়োগক সবল কৰি তুলিলে। এই অনুমোদন ১৯৮৯ চনৰ ১৫ মাৰ্চত কাৰ্যকৰী কৰা হয়।

কেন্দ্ৰীয় চৰকাৰে কেইবাটাও বিশিষ্ট ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে সৈতে ১৯৯০ চনৰ জানুৱাৰীত নিৰ্বাচনী প্ৰক্ৰিয়া সংস্কাৰ সমিতি নিয়োগ কৰিলে। পিছলৈ নিৰ্বাচনী প্ৰক্ৰিয়া সংস্কাৰ সমিতিত প্ৰযুক্তি বিশেষজ্ঞ নিয়োগ কৰা হ'ল। বিশেষজ্ঞ সমিতিয়ে সময় নষ্ট নকৰি ১৯৯০ চনৰ পৰা ইলেক্ট্ৰনিক ভোটিং মেচিন ব্যৱহাৰৰ পৰামৰ্শ দিলে।

২০০০ চনৰ পৰা ১০৭ টা বিধান সভাৰ সাধাৰণ নিৰ্বাচন আৰু ২০০৪, ২০০৯ আৰু ২০১৪ চনত হোৱা ৩ টা লোকসভাৰ সাধাৰণ নিৰ্বাচনত ইলেক্ট্ৰনিক ভোটিং মেচিনৰ ব্যৱহাৰ হৈছে।

ই ভি এমৰ সালসলনি বিষয়ত ন্যায়ালয়ৰ নিৰ্দেশঃ

২০০১ চনৰ পৰা ই ভি এমৰ সালসলনি বিষয়ত তলত উল্লিখিত বিভিন্ন উচ্চ ন্যায়ালয়ত গোচৰ দিয়া হৈছেঃ

ক) মাদ্ৰাজ হাই কোৰ্ট -২০০১

খ) দিল্লী হাই কোৰ্ট-২০০৪

গ) কৰ্ণাটক হাই কোৰ্ট -২০০৪

ঘ) কেৰেলা হাই কোৰ্ট - ২০০২

ঙ) বোম্বে হাই কোৰ্ট (নাগপুৰ বেঞ্চ)- ২০০৪

আটাইকেখন উচ্চ ন্যায়ালয়ে ই ভি এমৰ সকলো প্ৰযুক্তিগত দিশ তথা প্ৰশাসনিক দিশ চালি জাৰি চাই ৰায় দিছে যে ইলেক্ট্ৰনিক ভোটিং মেচিন সম্পূৰ্ণৰূপে নিৰ্ভৰশীল, বিশ্বাসযোগ্য আৰু কোনোধৰণৰ বিসংগতি কৰিব নোৱাৰা এক ব্যৱস্থা। কেইবাটাও ক্ষেত্ৰত আনকি উচ্চতম ন্যায়ালয়ে ই ভি এম সম্পৰ্কত কোনো আপিল গ্ৰহণ কৰিবলৈও অমান্তি হয়।

মাননীয় কৰ্ণাটক হাই কোৰ্টৰ মতে “এই আৱিষ্কাৰ ইলেক্ট্ৰনিক আৰু কম্পিউটাৰ প্ৰযুক্তিৰ এক উল্লেখনীয় অৱদান আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ বিষয়”। কৰ্ণাটক হাই কোৰ্ট  আৰু মাদ্ৰাজ হাই কোৰ্টে বেলত বাকচৰ দিনৰ নিৰ্বাচন আৰু ই ভি এমৰ দ্বাৰা হোৱা নিৰ্বাচন পৰ্যবেক্ষণ কৰি কয় যে ই বহুগুণে উন্নত। মাদ্ৰাজ হাই কোৰ্টে ই ভি এমৰ বিসংগতিৰ অভিযোগ পোনপটীয়াকৈ খাৰিজ কৰে। মাননীয় মাদ্ৰাজ হাই কোৰ্টৰ পৰ্যবেক্ষণ তলত দিয়া হ’লঃ

“ই ভি এমক ব্যক্তিগত কম্পিউটাৰৰ লগত তুলনা কৰিব নোৱাৰি, সেয়ে কোনোধৰণৰ ভাইৰাছ তাত সোমাৱাৰ প্ৰশ্নই আহিব নোৱাৰে।কম্পিউটাৰ প্ৰ’গ্ৰামিঙৰ লগত ই ভি এমৰ চৰিত্ৰ নিমিলে। কম্পিউটাৰৰ কিছুমান সীমাৱদ্ধতা থাকে বা ইন্টাৰনেটৰ যোগেদি তাৰ সালসলনি কৰিব পাৰি, কিন্তু ই ভি এম সম্পূৰ্ণ এক স্বকীয় ব্যৱস্থা যাৰ কোনো সালসলনি নহয়।”

আন এটা ৰায়ত ৬.২.২০০২ তাৰিখে মহামান্য কেৰেলা হাই কোৰ্টে ই ভি এমৰ উন্নত প্ৰযুক্তি তথা ব্যৱস্থাক প্ৰশংসা কৰে। কেৰেলা হাই কোৰ্টৰ এই ৰায়ক মহামান্য উচ্চতম ন্যায়ালয়ে সমৰ্থন আগবঢ়ায়।

বিভিন্ন ন্যায়ালয়ৰ সন্মুখত ই প্ৰতিপন্ন হৈছে যে ই ভি এমত ব্যৱহৃত ডাটা তথা প্ৰযুক্তি ফাদিল কৰা সম্ভৱ নহয় আৰু ইয়াৰ বিষয়ে স্বীকৃতিপ্ৰাপ্ত বিষয়াসকলৰ বাদে কোনেও নাজানে।

তাৰ পিছতো বিভিন্ন ৰাজনৈতিক দলে ২০০৯ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছত ই ভি এমৰ নিৰ্ভৰযোগ্যতাক লৈ প্ৰশ্ন কৰিছিল।কিন্তু এই ক্ষেত্ৰত কোনো স্পষ্ট কাৰণ তেওঁলোকে ডাঙি ধৰিব নোৱাৰিলে আৰু কোনেও এই অভিযোগ সত্য প্ৰমাণিত কৰিব নোৱাৰিলে।

কোনো কোনো সক্ৰিয় কৰ্মীয়ে ২০০৯ চনত এই অভিযোগ লৈ উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল যদিও উচ্চতম ন্যায়ালয়ে তেওঁলোকক নিৰ্বাচনী আয়োগৰ কাষ চাপিবলৈ পৰামৰ্শ দিলে।তেতিয়া নিৰ্বাচনী আয়োগে মুক্তভাৱে তেওঁলোকক প্ৰত্যাহ্বান জনাই কেনেকৈ ই ভি এমৰ তথ্য সাল-সলনি কৰিব পাৰি দেখুৱাবলৈ ক'লে। কিন্তু নিৰ্বাচনী আয়োগে ইমান সুবিধা দিয়াৰ পিছতো, নিৰ্বাচনী আয়োগৰ মূখ্য কাৰ্যালয়ত সকলো মেচিন খুলি দিয়াৰ পিছতো কোনেও ই ভি এমৰ তথ্য সাল-সলনি কৰিব পৰা কোনো খুঁত উলিয়াব নোৱাৰিলে। এই সকলোবোৰৰ ভিডিঅ' মজুত কৰি ৰখা হৈছে।

২০০৯ চনৰ ৩-৮ আগষ্টলৈ যিসকলে ই ভি এমৰ ওপৰত প্ৰশ্ন তুলিছিলে তেওঁলোকক নিৰ্বাচনী আয়োগে তেওঁলোকৰ যুক্তি প্ৰতিপন্ন কৰিবলৈ আহ্বান জনাইছিল।বিভিন্ন ৰাজনাতিক দল, বিভিন্ন ন্যায়ালয়লৈ গৈ পেটিশ্যন ফাইল কৰা ব্যক্তিসকল আৰু এই বিষয়ে প্ৰশ্ন কৰা ব্যক্তিসকলক বিশেষভাৱে আমন্ত্ৰণ কৰা হৈছিল।অন্ধ্ৰ প্ৰদেশ, দিল্লী, গুজৰাট, কৰ্ণাটক, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, পঞ্জাৱ, ৰাজস্থান, তামিলনাডু আৰু উত্তৰ প্ৰদেশৰ মুঠ ১০ টা ই ভি এম নিৰ্বাচনী আয়োগৰ মূখ্য কাৰ্যালয়ত বিসংগতি ধৰা পেলাবৰ বাবে অনা হৈছিল।কেইবাজনো প্ৰযুক্তি বিশেষজ্ঞ, BEL আৰু ECIL ৰ ই ভি এমৰ নিৰ্মাণৰ লগত জড়িত কেইবাজনো অভিযন্তাৰ উপস্থিতিত ই ভি এম সমূহ খোলা হৈছিল। কোনেও ই ভি এমৰ তথ্য সাল-সলনি কৰিব পৰা কোনো খুঁত উলিয়াব নোৱাৰিলে।তেওঁলোকে হয় বিফল হ'ল বা বহুতে আগতেই নিজৰ মত সলনি কৰিলে।

তাৰ পিছত কোনো কোনো সক্ৰিয় কৰ্মীয়ে এটা মেচিন হাতত লৈ টি ভি চেনেল এটাত তাক কেনেকৈ সাল-সলনি কৰিব পাৰি দেখুৱালে।পিছত নিৰ্বাচনী আয়োগে বিচাৰ কৰি খবৰ উলিয়ালে যে সেই মেচিনটো নিৰ্বাচনী আয়োগৰ মুম্বাইৰ গোদামৰ পৰা চুৰি কৰি নিয়া এটা বিকল মেচিন যিটো নিৰ্বাচনী আয়োগে ব্যৱহাৰৰ অযোগ্য বুলি পেলাই দিছিল।

২০১০ চনত অসম আৰু তামিলনাডুৰ কেইজনমানৰ বাদে সকলো ৰাজনৈতিক দলে নিৰ্বাচনী আয়োগৰ এখন সভাত ই ভি এমৰ কৰ্ম প্ৰক্ৰিয়াক লৈ সন্তুষ্টি ব্যক্ত কৰে। এই সময়ত VVPAT ৰ বিষয়ে অধিক চিন্তা-চৰ্চা কৰি থকা হৈছে।

২০০৯ চনত দিল্লী হাই কোৰ্টৰ এটা গোচৰত ই ভি এম কেনেকৈ সাল-সলনি কৰিব পাৰি সেই বিষয়টো উত্থাপিত হৈছিল।কিন্তু ভাৰতীয় নিৰ্বাচনী আয়োগৰ পুংখানুপুংখ বিৱৰণ শুনি দিল্লী হাই কোৰ্ট সন্তুষ্ট হৈছিল। গোচৰটো ২০১২ চনত খাৰিজ কৰা হৈছিল।

**নিৰ্বাচনী আয়োগৰ ই ভি এমত প্ৰযুক্তিগত সুৰক্ষাঃ**

ক) ই ভি এম সাল-সলনি কৰিব নোৱাৰাকৈ ইলেক্ট্ৰনিকভাৱে সুৰক্ষিত। ইয়াত ব্যৱহৃত প্ৰ'গ্ৰামিঙৰ লগত কেৱল এবাৰহে ব্যৱহাৰ কৰিব পৰা (OTP) পাছৱৰ্ড দিয়া থাকে আৰু সেয়ে তাক সাল-সলনি কৰা সম্ভৱ নহয়।তদুপৰি এই মেচিনসমূহ তাঁৰ বা কোনো ৱায়াৰলেছ পদ্ধতিৰে আন কোনো ব্যৱস্থাৰ লগত সংযুক্ত নহয়।গতিকে তথ্য ভুল কৰাৰো কোনো সুবিধাই ইয়াত নাথাকে।

খ) ই ভি এমৰ ছফটৱেৰ BEL আৰু ECIL ৰ কেইজনমান বচা বচা প্ৰযুক্তি বিশেষজ্ঞৰ দ্বাৰা ইজনে সিজনক নজনাকৈ তৈয়াৰ কৰা হৈছে। তাৰ ওপৰত ভিত্তি কৰি নিৰ্বাচিত এটা ছফটৱেৰ ২-৩ জন অভিযন্তাৰ এটা দলে নিৰ্মাণ কৰি উলিয়াইছে।

গ) ছফটৱেৰৰ আৰ্হি সম্পূৰ্ণ হোৱাৰ পিছত তাৰ পৰীক্ষা নিৰীক্ষাৰ কাম অন্য এক স্বকীয় অভিযন্তাৰ দলে সম্পূৰ্ণ কৰিছে।ইয়াৰদ্বাৰা যি কামৰ বাবে ছফটৱেৰ নিৰ্মাণ কৰা হৈছিল সি যাতে কেৱল সেই কামতে ব্যৱহৃত হয় তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে।

ঘ)সফলতাৰে ছফটৱেৰৰ পৰীক্ষণ সম্পূৰ্ণ হোৱাৰ পিছত মেচিনৰ কোড মাইক্ৰ' কন্ট্ৰলাৰৰ হাতত দিয়া হয়। এই মেচিনৰ কোডৰ যোগেদি চ'ৰ্চ কোড পঢ়িব নোৱাৰি। চ'ৰ্চ কোডটো কেতিয়াও ছফটৱেৰ অভিযন্তাৰ দলটোৰ বাহিৰ হ'বলৈ দিয়া নহয়।

ঙ) মাইক্ৰ' কন্ট্ৰলাৰ নিৰ্মাণকাৰীয়ে প্ৰথমে অভিযান্ত্ৰিক আৰ্হিটো পি এছ ইউ লৈ পৰীক্ষাৰ বাবে পঠিয়ায়। ই ভি এমত এই আৰ্হি এছেম্বল কৰা হয় আৰু ইয়াৰ ক্ৰিয়া প্ৰক্ৰিয়া ভালদৰে পৰ্যবেক্ষণ কাৰ হয়।সফলতাৰে এই পৰীক্ষা নিৰীক্ষা সম্পূৰ্ণ হোৱাৰ পিছতহে মাইক্ৰ' কন্ট্ৰলাৰক সৰহকৈ ই ভি এম তৈয়াৰ কৰিবলৈ নিৰ্দেশ দিয়া হয়।

চ) ই ভি এমৰ চ'ৰ্চ কোড সকলো সময়তে সুৰক্ষিত কৰি ৰখা হয় আৰু লগতে সুনিশ্চিত কৰা হয় যাতে কেৱল স্বীকৃতিপ্ৰাপ্ত বিষয়াৰ বাহিৰে আন কোনেও ঢুকি পাব পৰাকৈ ৰখা নহয়।

ছ) নিৰ্মাণৰ সময়তো বিভিন্ন পৰীক্ষা নিৰীক্ষাৰ বাবে স্বীকৃতিপ্ৰাপ্ত লোকৰ দল বাচনি কৰি লোৱা হয়।

জ) ই ভি এমৰ ছফটৱেৰৰ আৰ্হি এনেদৰে কৰা হৈছে যাতে ভোটাৰে কেৱল এবাৰহে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰে।নিয়ন্ত্ৰণ কক্ষত থকা প্ৰিজাইডিং বিষয়াই ভোটাধিকাৰ সাব্যস্ত সম্পূৰ্ণ হোৱা বুলি ৰেকৰ্ড কৰাৰ পিছতহে পিছৰ ভোটাৰজনে ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰে। তাকে নকৰালৈকে মেচিনটোৱে বাহিৰৰ কোনো ইঙ্গিত গ্ৰহণ নকৰে।

ঝ) ই ভি এমৰ নিৰ্মাণৰ পিছত সকলো আৰ্হি, তাৰ মান আদি পি এছ ইউৰ স্বায়ত্ব দলৰদ্বাৰা ভালদৰে পৰীক্ষা কৰোৱা হয়।

ঞ) নিৰ্বাচনী আয়োগৰ ই ভি এমত ২০০৬ চনৰপৰা বেলট ইউনিট আৰু কন্ট্ৰল ইউনিট, প্ৰকৃত সময়ৰ ৰেকৰ্ড আদি কিছুমান অতিৰিক্ত সুবিধা প্ৰদান কৰা হৈছে।

চ) ২০০৬ চনত প্ৰযুক্তি পৰীক্ষণ সমিতিয়ে এটা কথা নিশ্চিত কৰিছে যে কোনোধৰণৰ নেটৱৰ্ক ব্যৱস্থাই বেলট ইউনিটৰ তথ্যক সলনি কৰিব নোৱাৰে। কন্ট্ৰল ইউনিটে কেৱল বেলট ইউনিটৰ তথ্যহে গ্ৰহণ কৰিব পৰা সুবিধা কৰা হৈছে।

**নিৰ্বাচনী আয়োগৰ ই ভি এমৰ বিশেষত্বঃ**

কেইটামান ৰাজনৈতিক দলে কৈছে যে বহু বিদেশী ৰাষ্ট্ৰই ই ভি এমৰ ব্যৱহাৰ বন্ধ কৰিছে।আয়োগে এই ক্ষেত্ৰত ভাৰতীয় নিৰ্বাচনী আয়োগৰ ই ভি এম আৰু বিদেশী ৰাষ্ট্ৰৰ ই ভি এমৰ তুলনা কৰি চাই দেখিছে যে এনে তুলনাই মানুহক ভুল পথেহে পৰিচালিত কৰিব পাৰে। ই ভি এম সম্পূৰ্ণ এক স্বাধীন ব্যৱস্থা আৰু বহিঃৰাষ্ট্ৰৰ ই ভি এমৰ লগত ভাৰতীয় নিৰ্বাচনী আয়োগৰ ই ভি এমৰ তুলনা সম্পূৰ্ণ অমূলক।

ক) বহিঃ ৰাষ্ট্ৰত ব্যৱহৃত বেছিভাগ ব্যৱস্থাই ইন্টাৰনেটৰ লগত জড়িত। গতিকে তাত হেকিঙৰ সম্ভাৱনা থাকে।

খ)আগতে কোৱাৰ দৰে ইয়াত ব্যৱহৃত প্ৰ'গ্ৰামিঙৰ লগত কেৱল এবাৰহে ব্যৱহাৰ কৰিব পৰা (OTP) পাছৱৰ্ড দিয়া থাকে আৰু সেয়ে তাক সাল-সলনি কৰা সম্ভৱ নহয়। বহিঃৰাষ্ট্ৰৰ ই ভি এমৰ লগত ভাৰতীয় নিৰ্বাচনী আয়োগৰ ই ভি এমৰ নিৰ্মাণৰ প্ৰথমিক আৰ্হিয়েই সুকীয়া।

গ) বহিঃ ৰাষ্ট্ৰৰ ই ভি এমৰ লগত ভাৰতীয় নিৰ্বাচনী আয়োগৰ ই ভি এমৰ তুলনা সম্পূৰ্ণ অমূলক।

**প্ৰশাসনিক আৰু পৰিচালনাৰ দিশত সুৰক্ষাঃ**

ভাৰতীয় নিৰ্বাচনী আয়োগৰ ই ভি এমৰ প্ৰশাসনিক আৰু পৰিচালনাৰ দিশত সুৰক্ষাৰ বাবে বিশদ ব্যৱস্থা হাতত লৈছে। ভাৰতীয় নিৰ্বাচনী আয়োগে অতি স্বচ্ছতাৰে ই ভি এমৰ যাতে কোনো অপব্যৱহাৰ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিক সকলো পৰ্যায়তে লগত ৰাখি ই ভি এম সমূহ পৰিচালনাৰ ব্যৱস্থা কৰিছে। ভাৰতীয় নিৰ্বাচনী আয়োগৰ সুৰক্ষা ব্যৱস্থা সমূহঃ

ক)প্ৰত্যেক নিৰ্বাচনৰ আগত সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত ই ভি এমৰ নিৰ্মাণৰ লগত জড়িত অভিযন্তাৰদ্বাৰা ই ভি এম সমূহৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষা কৰোৱা হয়।কোনো ধৰণৰ যান্ত্ৰিক বিজুতি থকা ই ভি এম একাষৰীয়াকৈ ৰখা হয় আৰু নিৰ্বাচনত ইয়াৰ ব্যৱহাৰ নহয় ।

খ) নিৰ্মাণকাৰীসকলে এখন প্ৰমাণপত্ৰ দিয়ে যে ই ভি এমত ব্যৱহৃত সকলো অংশই আচল। তাৰ পিছত কন্ট্ৰ'ল ইউনিটৰ প্লাষ্টিক কেবিনেটক ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ স্বাক্ষৰ থকা গুলপীয়া কাগজৰ ছীল লগাই শক্তিকক্ষত ৰখা হয়।

গ) তদুপৰি ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে তেওঁলোকে জধে মধে বাচনি কৰা ৫ শতাংশ ই ভি এমত কমেও ১০০০ টা ভোট সাব্যস্ত কৰে। প্ৰথম পৰ্যায়ৰ পৰীক্ষাত ৫ শতাংশ ই ভি এমত কৰা এনে মক পোল ৰ ফলাফল প্ৰিন্ট কৰি সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিক দেখুওৱা হয়।তেওঁলোক সন্তুষ্ট নোহোৱালৈকে এই মক পোলৰ সুবিধা দিয়া হয়।এই সকলোবোৰৰ ৰেকৰ্ড ৰাখি থোৱা হয়।

ঘ)তাৰ পিছত ই ভি এম সমূহ থোৱাৰ স্থান সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত সমষ্টিসমূহলৈ নিয়াৰ আগত আৰু ভোটদান কেন্দ্ৰত নমোৱাৰ আগত দুবাৰকৈ সালসলনি কৰা হয়। কোনো নিৰ্দিষ্ট ভোটদান কেন্দ্ৰত ব্যৱহাৰ হ'বলগীয়া ই ভি এমৰ ধাৰাবাহিক নম্বৰ ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে থিৰাং কৰে।

ঙ) প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক নিজৰ সন্তুষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম সোমোওৱাৰ সময়ত আৰু প্ৰকৃত ভোটদানৰ দিনাখনো এবাৰ মক পোলৰ সুবিধা দিয়া হয়।

চ) প্ৰাৰ্থীৰ নাম সোমোওৱাৰ পিছত ই ভি এমৰ বেলট ইউনিট ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ স্বাক্ষৰ থকা গুলপীয়া কাগজৰ ছীল লগাই বন্ধ কৰি দিয়া হয়।

ছ) ৫ শতাংশ ই ভি এমত কৰা এনে মক পোলৰ ফলাফল আৰু প্ৰাৰ্থীৰ নাম সোমোওৱাৰ পিছত কৰা মক পোলৰ ফলাফল প্ৰিন্ট কৰি সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিক দেখুওৱা হয়। ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক নিজৰ ইচ্ছামতে ই ভি এম বাচনি কৰি ল'বলৈ দিয়া হয়।

জ) প্ৰকৃত ভোটদানৰ দিনাখনো প্ৰত্যেকটো ভোট কেন্দ্ৰত পুলিং এজেন্ট আৰু ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত মক পোল কৰি অন্ততঃ ৫০ টা ভোট সাব্যস্ত কৰা হয় আৰু প্ৰিজাইডিং বিষয়াই এনে মক পোল সম্পূৰ্ণ হোৱা বুলি এখন প্ৰমাণপত্ৰ ইছ্যু কৰে।

ঝ) মক পোল সম্পূৰ্ণ হোৱাৰ পিছত ই ভি এমত আন এডাল সূতা আৰু সেউজীয়া কাগজৰ ছীল লগাই ভোটদানৰ বাবে ব্যৱহাৰ হ'বলগীয়া বুটামকেইটাৰ বাদে বাকী সকলো বুটাম বন্ধ কৰি দিয়া হয়।এই সূতা আৰু সেউজীয়া কাগজৰ ছীলত পুলিং এজেন্টৰ স্বাক্ষৰ থাকে। ভোটদান শেষ হেৱাৰ পিছত প্ৰিজাইডিং বিষয়াই পুলিং এজেন্টৰ উপস্থিতিত ক্লজ বুটাম টিপে। সেই বুটাম টিপাৰ পিছত আৰু ভোটদান সম্ভৱ নহয়।

ঞ) তাৰ পিছত সকলো ই ভি এম ছীল কৰি দিয়া হয়।প্ৰাৰ্থী আৰু এজেন্টসকলক ছীলৰ ওপৰত স্বাক্ষৰ কৰিবলৈ দিয়া হয়। প্ৰাৰ্থী আৰু সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে ভোটদান কেন্দ্ৰৰপৰা ভোট গণনা কেন্দ্ৰলৈ ই ভি এম কঢ়িওৱাৰ সময়ত পিছে পিছে আহিব পাৰে।

চ)লগতে ই ভি এম জমা ৰখা শক্তি কক্ষও অনবৰতে বন্ধ কৰি পহৰা দি ৰখা হয়। প্ৰাৰ্থী আৰু সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিক শক্তি কক্ষত নিজৰ নিজৰ তলা ওলমাবলৈও অনুমতি দিয়া হয়। তেওঁলোকক চৌবিশ ঘন্টাই শক্তি কক্ষৰ পহৰাদাৰী কৰাৰ বাবেও অনুমতি দিয়া হয়। শক্তি কক্ষৰ চাৰিওপিনে কেইবাটাও পৰ্যায়ত সুৰক্ষা কৰ্মী নিয়োগ কৰা হয়।

ছ) প্ৰাৰ্থী আৰু সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিক প্ৰথম পৰ্যায়ৰ পৰীক্ষা (FLC), ভোটদানৰ বাবে ই ভি এম প্ৰস্তুত প্ৰক্ৰিয়া, মক পোল আদিত অংশ গ্ৰহণৰ সুবিধা দিয়া হয়।

**ভোটাৰ পৰিচায়ক পত্ৰ পৰীক্ষণ প্ৰক্ৰিয়া (VVPAT)**

২০১০ চনত ৰাজনৈতিক দলসমূহৰ লগত হোৱা আলোচনা অনুযায়ী ভাৰতীয় নিৰ্বাচনী আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা আনিবৰ উদ্দেশ্যে ভোটাৰ পৰিচায়ক পত্ৰ পৰীক্ষণ প্ৰক্ৰিয়া (VVPAT) আৰম্ভ কৰাৰ কথা চিন্তা কৰিছে।কন্ট্ৰ'ল ইউনিটত ভোটদান সাব্যস্ত হোৱাৰ লগে লগে প্ৰাৰ্থীৰ ফটো আৰু নামেৰে সৈতে এখন কাগজ ওলাই আহিব যাৰ ফলত পিছলৈ কোনো থাম-খেয়ালি হ'লে ই ভি এমৰ ফলাফলৰ লগত কাগজখন মিলাই পুনঃপৰীক্ষণ কৰিব পৰা যাব। VVPAT ৰ অধীনত ভোটদান কক্ষত একোটাকৈ প্ৰিন্টাৰ ৰখা হ'ব।স্বচ্ছ খিৰিকীৰ যোগেদি সেই কাগজ ৭ ছেকেণ্ডলৈকে ই ভি এমত দেখা যাব। BEL/ ECIL এ ২০১৩ চনতে প্ৰস্তুত কৰা VVPAT ৰ আৰ্হিৰ প্ৰতি ভাৰতীয় নিৰ্বাচনী আয়োগে ইতিমধ্যে অনুমোদন জনাইছে।আৰু উচ্চতম ন্যায়ালয়ৰ ওচৰতো এই আৰ্হি উপস্থাপন কৰা হৈছে আৰু উচ্চতম ন্যায়ালয়ে তাৰবাবে যাবতীয় খৰচ যোগান দিবলৈ চৰকাৰক নিৰ্দেশ দিছে।

তাৰবাবে ভাৰতীয় নিৰ্বাচনী আয়োগে ২০১৯ চনত হ'বলগীয়া লোকসভাৰ সাধাৰণ নিৰ্বাচনত সকলো ভোটদান কেন্দ্ৰত VVPAT ব্যৱহাৰ কৰিব পৰাকৈ ২০১৪ চনৰ জুন মাহতে ৩১৭৪ কোটি টকাৰ

পুঁজিৰ বাবে চৰকাৰক আবেদন জনাইছে। মহামান্য উচ্চতম ন্যায়ালয়ে **ভাৰতীয়** নিৰ্বাচনী আয়োগক প্ৰয়ায়ক্ৰমে VVPAT ব্যৱহাৰ কৰিবলৈও অনুমতি প্ৰদান কৰিছে।

উচ্চতম ন্যায়ালয়ত চলি থকা এটা গোচৰ মতে আয়োগে ২০১৭ চনৰ মাৰ্চত ন্যায়ালয়ক জনাইছে যে চৰকাৰে পুঁজি যোগান দিয়াৰ ৩০ মাহৰ ভিতৰত **ভাৰতীয়** নিৰ্বাচনী আয়োগে প্ৰয়োজনীয় সংখ্যক VVPAT নিৰ্মাণ কৰাই ল'ব।

**ভাৰতীয়** নিৰ্বাচনী আয়োগে ২০১৩ চনত ২০,০০০ টা VVPAT ক্ৰয় কৰিছিল আৰু ১৪৩ টা বিধানসভা সমষ্টিত ইয়াৰ ব্যৱহাৰ হৈছে।তদুপৰি BEL এ ২০১৬ চনত ৩৩৫০০ টা VVPAT নিৰ্মাণ কৰি উলিয়াইছে। এতিয়ালৈকে ২২৫ টা বিধান সভা সমষ্টিত আৰু ৯ টা লোকসভা সমষ্টিত ইয়াৰ ব্যৱহাৰ হৈছে। ২০১৬ চনৰ গোৱাৰ নিৰ্বাচনত ৪০ লাখ VVPAT ব্যৱহাৰ হৈছে। **ভাৰতীয়** নিৰ্বাচনী আয়োগে অলপতে নিৰ্বাচন হৈ যোৱা পাঁচখন ৰাজ্যত প্ৰায় ৫২,০০০ টা VVPAT ব্যৱহাৰ কৰাইছে। ২০১৪ চনৰ পৰা **ভাৰতীয়** নিৰ্বাচনী আয়োগে ৩১৭৪ কোটি টকাৰ পুঁজিৰ বাবে চৰকাৰক অনুৰোধ কৰি আহিছে যাতে ২০১৯ চনত হ'বলগীয়া সাধাৰণ নিৰ্বাচনত সকলো ভোটদান কেন্দ্ৰত VVPAT ব্যৱহাৰ কৰিব পাৰে।

আগতে ব্যাখ্যা কৰাৰ দৰে ভাৰতীয় নিৰ্বাচনী আয়োগে **ই ভি এমৰ** প্ৰশাসনিক আৰু পৰিচালনাৰ দিশত **সুৰক্ষাৰ বাবে বিশদ ব্যৱস্থা হাতত লৈছে।** ভাৰতীয় নিৰ্বাচনী আয়োগে অতি স্বচ্ছতাৰে **ই ভি এমৰ যাতে কোনো অপব্যৱহাৰ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিক সকলো পৰ্যালতে লগত ৰাখি ই ভি এম সমূহ পৰিচালনাৰ ব্যৱস্থা কৰিছে। সেয়ে, কোনোধৰণৰ বিসংগতি কৰিব নোৱাৰা এই ব্যৱস্থাক লৈ** নিৰ্বাচনী আয়োগ সদায়ে সন্তুষ্ট। এটা কথা ক'ব লাগিব যে **ই ভি এমৰ বিৰুদ্ধে এনে অভিযোগ এয়ে প্ৰথম নহয়।** আগতেও ভাৰতীয় নিৰ্বাচনী আয়োগে **ই ভি এমৰ ওপৰত কিবা সন্দেহ থাকিলে তাক মুকলিকৈ প্ৰদৰ্শন কৰিবলৈ কৈ আহিছে, কিন্তু কোনো সেই পৰিস্থিতিত আগবাঢ়ি অহা নাই।** আয়োগে এনে অভিযোগৰ কোনো যুক্তি তথা ভিত্তি দেখা নাপাই এই সকলো অভিযোগ তথা সন্দেহক অগ্ৰাহ্য কৰিছে।

নিৰ্বাচনী আয়োগে ভাৰতৰ সকলো নাগৰিকক নিশ্চিতি দিব খুজিছে যে ভাৰতীয় নিৰ্বাচনী আয়োগৰ **ইলেক্ট্ৰনিক ভোটিং মেচিন সদায়ে সম্পূৰ্ণৰূপে নিৰ্ভৰশীল, বিশ্বাসযোগ্য আৰু কোনোধৰণৰ বিসংগতি কৰিব নোৱাৰা এক ব্যৱস্থা আৰু তাক লৈ** নিৰ্বাচনী আয়োগ সদায়ে সন্তুষ্ট।তথাপি পৰ্যায়ক্ৰমে নিৰ্বাচনী আয়োগে VVPAT ৰ যোগেদি নিৰ্বাচনী প্ৰক্ৰিয়াক জনসাধাৰণৰ বাবে অধিক বিশ্বাসযোগ্য কৰি তোলাৰ চেষ্টা কৰি আছে।

তদুপৰি নিৰ্বাচনী আয়োগে কোনো নিৰ্দিষ্ট অভিযোগ উচিত তথা বাস্তৱ তথ্যৰে সৈতে কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীৰপৰা লাভ কৰা নাই। এনেক্ষেত্ৰত ভিত্তিহীন তথা মনেসজা অভিযোগক আওকাণ কৰাই উচিত বুলি ভৱা হৈছে।

যি কি নহওক, নিৰ্বাচনী আয়োগৰ সন্মুখত যদি কোনো নিৰ্দিষ্ট অভিযোগ উচিত তথা বাস্তৱ তথ্যৰে সৈতে উত্থাপন কৰে, তেন্তে নিৰ্বাচনী আয়োগে তাক প্ৰশাসনিকভাৱে যথোচিত গুৰুত্ব প্ৰদান কৰাটো নিশ্চিত।

নিৰ্বাচনী আয়োগে এটা কথা গুৰুত্ব সহকাৰে ক'ব খোজে যে **ইলেক্ট্ৰনিক ভোটিং মেচিনক লৈ** নিৰ্বাচনী আয়োগে **সদায়ে পূৰামাত্ৰাই সন্তুষ্ট। ২০০৪, ২০০৯ বা ২০১৪ চনত হোৱা** লোকসভাৰ সাধাৰণ নিৰ্বাচনতেই হওক বা আন কোনো ৰাজ্যৰ বিধান সভাৰ নিৰ্বাচনতেই হওক, ইয়াৰ ওপৰত আয়োগৰ বিশ্বাস কেতিয়াও হেৰোৱা নাই। আজিলৈকে কোনেও **ই ভি এম মেচিনত সালসলনি কৰি দেখুৱাব পৰা নাই।** যিথিনি দেখুওৱা হৈছে, সি প্ৰকৃত নিৰ্বাচনী আয়োগৰ **ই ভি এম** নহয়, বৰং তেওঁলোকে দেখাত একেই মেচিন কিছুমানহে ব্যৱহাৰ কৰিছে।

আজি নিৰ্বাচনী আয়োগে পুনৰ নিশ্চিত কৰিব খুজিছে যে **ইলেক্ট্ৰনিক ভোটিং মেচিন সদায়ে সম্পূৰ্ণৰূপে নিৰ্ভৰশীল, বিশ্বাসযোগ্য আৰু কোনোধৰণৰ বিসংগতি কৰিব নোৱাৰা এক ব্যৱস্থা আছিল, আৰু এতিয়াও ই সম্পূৰ্ণৰূপে বিসংগতিমুক্ত।**

****